# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

FIRST SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE ELEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

MAY- JUNE SEESSION

NO. I

THE 30TH MAY 2001

**PRICE RS. 18/-**

]

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Wednesday, the 30th May 2001

The House met at 4 PM
in the Assembly Chamber at Dispur with
Sri Premadhar Bora, Speaker Protem in the chair .

Hon'ble Speaker- Namaskar, thank you. I congratulate all the Hon'ble Members for their election to Eleventh Assam Legislative Assembly by the people . I also send our congratulations to the people of Assam through this august House for electing us to this legislature .

We now start the business of the house. I now request the secretary, Assembly to read out the orders of the Governor of Assam .

Secretary -- With your permission, Sir, I read out the orders of the Governor.

"RAJBHAVAN,GUWAHATI
May 24 , 2001

# ORDER

In pursuance of Article 188 of the constitution of India. I, Lt. Gen (Retd) S.K. Sinha, PVSM, Governor of Assam, hereby appoint Shri Premadhar Bora, a Member of the Assam legislative Assembly, as the person before whom the Members of the said Assembly shall make and subscribe their oath or affirmation according to the form set out for the said perpose in the Third Schedule of the Constitution, untill a Speaker is elected.

After the election of the Speaker of the Assembly , the oath or affirmation shall be made and subscribed before the speaker of the said Assembly and in his absence before the Deputy Speaker or when the Assembly is in session and both the Speaker and Deputy Speaker are absent, before the person who may be presiding over the Assembly for the time being .

"Lt. Gen (Retd) S.K. Sinha,
Governor of Assam"

<u>Secretary</u>-- I would like to read another order-

"RAJBHAVAN, GHUWAHATI, May 24, 2001".

# ORDER

Whereas the office of the Speaker will become vacant immediately before the commencment of the first meeting of the Assam Legislative Assembly on the 30th May, 2001 and the office of the Deputy speaker is also vacant and therefore, In excercise of the powers conferred upon me by Clause (1) of Article 180 of the constitution of India, I, Lt. Gen (Retd ) S.K. Sinha , PVSM, Governor of Assam, hereby appoint Shri Premadhar Bora , a member of Assam Legislative Assembly, to perform the duties of the office of the Speaker from the commencement of the said meeting and untill the Speaker shall have been elected by the said Assembly.

"Lt. Gen (Retd) S.K. Sinha , PVSM
Governor of Assam"

Hon'ble Speaker -Now, Item No. 2 - Oath or affirmation by Members. I now welcome the Hon'ble members of the new House and seek cooperation from them. Now, I would like to detail the procedure that will be followed for making and subscribing oath or affirmation.

The secretary will call out the names of the members one by one. He will first call the names of the members of the council of the ministers. The names of the other members will then be called by him in alphabatical order. Hon'ble Ministers and Members will please come up to the Secretary's table, one by one, make and subscribe the oath or affirmation, sing the roll of members, shake the hands with the chair and then please resume the seats. If any member is for some reasons or other absent at the time when his/her name is called, he/she will please wait till the secretary calls out his/her name for the second time which he/she will do again in the same alphabetical order after the list is exhausted.

Secretary With your permission, Sir, I call out the name of Shri Bhumidhar Barman.

Shri Bhumidhar Barman - (Took oath in Assamese)

Secretary- Now, Dr. Smti Hema Prava Saikia .

## Oath or Affirmation

Dr. Hema Prava Saikia - (Took oath in English)

| | | |
|---|---|---|
| Shri G.S langthasa | - | (Took oath in English) |
| Shri Sarat Barkataky | - | (Took oath in Assamese) |
| Shri Debanand Knowar | - | (Took oath in English) |
| Shri Dinesh Prasad Goala | - | (Took oath in Hindi) |
| Shri Ardhendu Kumar Dey | - | (Took oath in English) |
| Shri Gautam Roy | - | (Took oath in Bengali) |
| Shri Bharat Chandra Narah | - | (Took oath in Assamese) |
| Shri Ismail Hussain | - | (Took oath in Assamese) |
| Shri Rameswar Dhanwar | - | (Took oath in Assamese) |
| Shri Hemprakash Narayan | - | (Took oath in Assamese) |
| Shri Anjan Dutta | - | (Took oath in Assamese) |

ITEM NO-2. (Oath or Affirmation by Members):

| | | |
|---|---|---|
| Shri Nazibul Umar | - | (Took oath in Assamese) |
| Shri Pradyut Bordoloi | - | (Took oath in Assamese) |
| Smti Rupam Kurmi | - | (Took oath in Assamese) |
| Shri Abdul Jabbar | - | (Took oath in English) |

Shri Aftabuddin - (Took oath in Assamese)

Smti Ajanta Neog - (Took oath in Assamese)

Shri Ajit sing - (Took oath in English)

Shri Aklius Tirki - (Took oath in Assamese)

Shri Ali Akbar Mia - (Took oath in Assamese)

Dr. Ananda Ram Barua - (Took oath in Assamese)

**(Oath taking ceremoney under item No.2 by the Hon'ble Members continued)**

Shri Anwar Hussain Laskar - (Took oath in Bengali)

Shri Asahaque Ali - (Took oath in Assamese)

Shri Bolendra Kumar Mussahari-(Took oath in Bodo)

Shri Basanta Das - (Took oath in Assamese)

Shri Bhima Tanti - (Took oath in English)

Shri Bhubaneswar Kalita - (Took oath in English)

Shri Bhupen Roy - (Took oath in Assamese)

Shri Bidya Singh Engleng - (Took oath in Assamese)

Shri Bimolangsu Roy - (Took oath in Bengali)

Shri Biswajit Daimari - (Took oath in Bodo)

Shri Brindaban Goswami - (Took oath in Assamese)

Shri Bubul Das - (Took oath in Assamese)

**(Oath taking continued)**

Shri Chandan Kumar Sarkar - (Took oath in Assamese)

Shri Dharam Sing Teron - (Took oath in English)

Shri Dilder Rezza - (Took oath in Assamese)

Shri Dileswar Tanti - (Took oath in Assamese)

Shri Dilip Kumar Saikia - (Took oath in Assamese)

Shri Dinesh Chandra Sarkar - (Took oath in Assamese)

Shri Dip Gogoi - (Took oath in Assamese)

Shri Etuwa Munda - (Took oath in Hindi)

Shri Gautam Bora - (Took oath in Assamese)

Shri Girindra Kumar Barua - (Took oath in Assamese)

Shri Gopinath Das - (Took oath in Assamese)

Shri Gunin Hazarika - (Took oath in Assamese)

Dr. Haren Das - (Took oath in Assamese)

Shri Hemanta Talukdar - (Took oath in Assamese)

Shri Hemendra Nath Brahma - (Took oath in Bodo)

Shri Himanta Biswa Sharma - (Took oath in Assamese)

Shri Hitendra Nath Goswami- (Took oath in Assamese)

Smti Hasnara Begum - (Took oath in Assamese)

Dr. Idris Ali - (Took oath in Assamese)

Shri Jagat Sing Ingti - (Took oath in English)

Shri Jamaluddin Ahmed - (Took oath in Bengali)

Shri Jiba Kt. Gogoi - (Took oath in English)

Shri Jiten Gogoi - (Took oath in Assamese)

Shri Jagadish Bhuyan - (Took oath in Assamese)

Smti Jonjonali Baruah - (Took oath in Assamese)

Shri Joseph Toppo - (Took oath in Assamese)

Shri Kali Rajan Deb - (Took oath in Bengali)

Smti Kamali Basumatary - (Took oath in Bodo)

Shri Karendra Basumatary - (Took oath in Bodo)

Shri Khalilur Rahman Chawdhury-(Took oath in Assamese)

Shri Madan Kalita - (Took oath in Assamese)

Shri Matindra Basumatari - (Took oath in Bodo)

Shri Member Gogoi - (Took oath in Assamese)

Shri Misbahul Islam Laskar - (Took oath in English)

Shri Misson Ranjan Das - (Took oath in Bengali )

Shri Methious Tudu - (Took oath in English )

Shri Monilal Goala - (Took oath in Hindi)

Shri Nathu Bodo - (Took oath in Bodo)

Shri Nazrul Islam - (Took oath in Assamese)

Shri Nilmoni Sen Deka - (Took oath in Assamese)

Shri Nurjamal Sarkar - (Took oath in Assamese)

Shri Pabindra Deka - (Took oath in Assamese)

Shri Paniram Rabha - (Took oath in Assamese)

Shri Pankaj Bora - (Took oath in Assamese)

Shri Parimal Sukla Baidya- (Took oath in Hindi)

Shri Phani BhushanChoudhury-(Took oath in Assamese)

Shri Pradan Baruah - (Took oath in Assamese)

Shri P. k. Mahanta - (Took oath in Assamese)

Smti Pramila Rani Brahma- (Took oath in Bodo)

Shri Pranab Gogoi - (Took oath in Assamese)

Shri Pranab Kalita - (Took oath in Assamese)

Smti Pranati Phukan - (Took oath in Assamese)

Shri Praneswar Basumatary- (Took oath in Assamese)

Shri Pronoy Rabha - (Took oath in Assamese)

Shri Prasanta Kumar Baruah-(Took oath in Assamese)

Shri Prithibi Majhi - (Took oath in Assamese)

Shri Rajendra Pd. Singh - (Took oath in English)

(Oath taking ceremony by the Hon'ble Members of the 11th sessions of the ALA.)

Shri Rajib Lochan Pegu - (Took oath in Assamese)

Shri Raju Sahu - (Took oath in Assamese)

Shri Rameswar Teli - (Took oath in Assamese)

Shri Rana Goswami - (Took oath in Assamese)

Shri Ranjit Dutta - (Took oath in Assamese)

Shri Ratish RanjanChoudhury-(Took oath in Assamese)

Shri Rihon Daimary - (Took oath in Bodo)

Shri Ripun Bora - (Took oath in Assamese)

Capt. Robin Bordoloi - (Took oath in English)

Shri Rockybul Hussain- (Took oath in Assamese)

Shri Romio Brahma - (Took oath in Bodo)

(Oath taking Continued)

Shri Rupan Sing Ronghang - (Took oath in Assamese)

Shri Sahab Uddin Choudhury - (Took oath in Bengali)

Shri Sahidul Alam Choudhury -(Took oath in Bengali)

Shri Samsul Haque - (Took oath in Assamese)

Shri Sarat Saikia - (Took oath in Assamese)

Shri Sarbananda Choudhury- (Took oath in Assamese)

Shri Sarbananda Sonowal -(Took oath in Assamese)

শ্ৰী শ্বাৰিন্না বেগম - (অসমীয়াতে শপত বাক্য পাঠ কৰে )

শ্ৰী চাদীদা মজুমদাৰ - (অসমীয়াতে শপত বাক্য পাঠ কৰে )

| | | |
|---|---|---|
| শ্ৰী শ্বেখ চাহ আলম | - | (অসমীয়াতে শপত বাক্য পাঠ কৰে ) |
| শ্ৰী ছিদ্দিক আহমেদ | - | (অসমীয়াতে শপত বাক্য পাঠ কৰে ) |
| শ্ৰী শুকুৰ আলী আহমেদ | - | (অসমীয়াতে শপত বাক্য পাঠ কৰে ) |
| শ্ৰী মহম্মদ চুলতান ছাদিক | - | (অসমীয়াতে শপত বাক্য পাঠ কৰে ) |
| শ্ৰী সুশীল দত্ত | - | (অসমীয়াতে শপত বাক্য পাঠ কৰে ) |
| শ্ৰী টংক বাহাদুৰ ৰায় | - | (অসমীয়াতে শপত বাক্য পাঠ কৰে ) |
| ডাঃ তাৰা প্ৰসাদ দাস | - | (অসমীয়াতে শপত বাক্য পাঠ কৰে ) |
| শ্ৰী তিজেন বসুমতাৰী | - | (অসমীয়াতে শপত বাক্য পাঠ কৰে ) |
| শ্ৰী উৎপল দত্ত | - | (অসমীয়াতে শপত বাক্য পাঠ কৰে ) |
| শ্ৰী উত্তৰা কলিতা | - | (অসমীয়াতে শপত বাক্য পাঠ কৰে ) |
| শ্ৰী ওৱাজিদ আলি চৌধুৰী | - | (অসমীয়াতে শপত বাক্য পাঠ কৰে ) |
| ডঃ জয়নাথ শৰ্মা | - | (অসমীয়াতে শপত বাক্য পাঠ কৰে ) |

- অধ্যক্ষ মহোদয় , ইয়াত এইতো সাৰ্ব্বভৌমত্বৰ ঠাইত প্ৰভূত্ব হৈ আছে , এইটো ভুল হৈ আছে । মই এইটো শুধৰাই পঢ়িছো ।

## ELECTION OF SPEAKER

Speaker :I now take up item no. 3, Election of Speaker . There are four valid nomination papers and I shall read out the particulars of the nomination papers as required under sub rule (4) of Rule 7 of the Rules of Procedure and conduct of Business in Assam Legislative Assambly . All Nomination papers are in favour of the same member i.e. Shri Prithibi Majhi.

Nomination Paper No. 1 -Proposed by Shri Sarat Barkataky

Seconded by Shri Ardhendu Kumer Dey

Nomination Paper No. 2 -Proposed by Shri Bharat Chandra Narah.

Seconded by Shri Wazed Ali Choudhury

Nomination Paper No. 3- Proposed by Shri Debananda Konwar.

Seconded by Smti Pranati Phukan

Nomination Paper No. 4- Proposed by Shri Gautam Bora

Seconded by Shri Sukur Ali Ahmed

As there is only one validly nominated member for the office of the speaker, I have much pleasure in declearing Shri Prithibi Majhi to have been duly elected unopposed as the speaker of the Eleventh Assam Legislative Assembly.

Before I Request the elected Speaker to occupy his chair, I would like to speak a few words .

I extend my heartiest congratulations to Shri Prithibi Majhi, newly elected Speaker of the Eleventh Assam Legislative Assembly, on his being elected to this Exalted office of the Speaker. Your election to this high office of all practical purposes as per established democratic convention, you will be ceased to be a functionary of the party from which you have come. You are the custodian of the house. You are also the custodian of the rights and privileges of all members of the house irrespective of party affiliation. Under your able stewardship, rules of the house, parliamentary convention and procedure will be rightly mentioned. We have in the house in general and in my own case in particular have full confidence on you. on your ability and that you will be able to conduct the proceedings of the house in an impartial manner the members belonging to the treasury branches and also the other opposition parties will get full protection so far as their parliamentary functioning in this August House is concerned.

In this August House, the peoples' representitives though representing different political parties and section of the population, actually represented the people of Assam and through the functioning of the Hon. Members the people functions in this legislature. Therefore, we have full faith and confidance with you.

I would like to mention here that Legislature is the temple of democracy. I hope, you will, as the custodian of the house and as custodian of the Members' rights and privileges, you will faithfully and impartially follow the rules and regulations established democratic norms and parliamentary conventions. It will be our pride that you be able to conduct the business of the House in a democratic manner upholding the dignity and prestige of the House as well as of the constitution.

With this few words, I thank you sir, as the elected Speaker of this August House.

Just after that at 6.10 PM the protem speaker Shri Premodhar Bora vacated the chair and the newly elected Hon'ble Speaker Shri Prithibi Majhi occupied the chair.

**Speaker : Now, item no.4, felicitation by the members.**

আইটেম নং ৪ ঃ

শ্ৰী তৰুণ গগৈ (মুখ্য মন্ত্ৰী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, আমি আনন্দিত যে আমাৰ

অভিজ্ঞ বিধান সভাৰ সদস্য বিধায়ক মাঝী ডাঙৰীয়া বিনা প্ৰতিদ্বন্দিতাৰে অসম বিধান সভাৰ অধ্যক্ষ পদত নিৰ্বাচিত হৈছে। তেখেত কংগ্ৰেছ দলৰ বিধায়ক, ইয়াৰ আগতেও বিধায়ক আছিল আৰু তাৰ আগতে উপাধ্যক্ষও আছিল আৰু তেখেতে সেই দায়িত্বও সুচাৰুৰূপে পালন কৰিছিল। আজি যি গধুৰ দায়িত্ব বহন কৰিছে আৰু বিধানসভাৰ কাষ্টডিয়ান হিচাবে তেখেতৰ ওপৰত বিধানসভাৰ সকলোখিনি নিৰ্ভৰ কৰিছে। আমি আশা ৰাখিছো সম্পূৰ্ণ নিৰপেক্ষভাৰে তেখেতে এই দায়িত্ব পালন কৰিব। তেখেতক আমাৰফালৰ পৰা অভিনন্দন জনোৱাৰ লগতে সদনৰ সকলো সময়তে আমাৰ ফালৰ পৰা সহায় সহযোগিতা লাভ কৰিব।

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ঃ- মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ একাদশ অসম বিধান সভা প্ৰথম অধিবেশনত আপুনি সৰ্বসন্মতভাৱে অধ্যক্ষ নিৰ্বাচিত হোৱাৰ বাবে আমাৰ দলৰ ফালৰ পৰা আৰু মোৰ ফালৰ পৰা আপোনাক আন্তৰিক অভিনন্দন জনাইছো। মাঝি ডাঙৰীয়া আপুনি অকল অসম বিধানসভাৰ সদস্যই নহয় ৰাজ্যসভাৰ সদস্যও আছিল আৰু দুয়োতা স্তৰতে বহু অভিজ্ঞতা অৰ্জন কৰিছে। আজি এই একাদশ বিধানসভালৈ বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হোৱাত আমি আপোনালৈ আন্তৰিক অভিনন্দন জনাইছো। লগতে আশা ৰাখিছো নিৰপেক্ষভাৱে গনতান্ত্ৰিক কাষ্টডিয়ান হিচাবে আপোনাৰ অভিজ্ঞতাৰে আৰু মাননীয় সদস্য সকলৰ ৰাইজৰ প্ৰতি থকা দায়িত্ব নিয়াৰিকৈ পালন কৰাৰ ক্ষেত্ৰত আপুনি সুবিধা প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰিলো। পুনৰ বাৰ আপোনাক আমাৰ দলৰ ফালৰ পৰা আন্তৰিক অভিনন্দন জনাই একাদশ বিধানসভাৰ মাননীয় অধ্যক্ষ হিচাবে কাৰ্য্যনিৰ্বাহ কৰিব বুলি আশা প্ৰকাশ কৰিলো।

শ্ৰীমতী প্ৰমীলা ৰানী ব্ৰহ্ম ঃ- মাননীয় অধ্যক্ষ মহোদয়, আমি পি ডি এফ বিধায়ক সকলৰ তৰফৰ পৰা আপোনাক বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্ব্বাচিত হোৱাৰ বাবে আমি অভিনন্দন জনাইছো। মই আপোনাক ১৯৯১ চনৰ পৰাই পাই আহিছো। মই আমাৰ দলৰ আৰু ৰাইজৰ তৰফৰ পৰা আপোনাক অভিনন্দন জনাইছো। আমাৰ ৰাইজৰ

বহুতো সমস্যা আছে । সেই সমস্যাবোৰ সমাধান কৰাৰ কাৰণে আপোনাৰ ফালৰ পৰা আমি সহায় সহযোগ পাম বুলি আশা কৰিছো । আমাৰ ৰাইজৰ বহুতো ক্ষুদ্ৰ ক্ষুদ্ৰ সমস্যা আছে আৰু সেইবিলাক সমস্যা আপুনি সমাধান কৰাৰ কাৰনে নিশ্চয় চেষ্টাৰ ত্ৰুটি নকৰিব । আমি আমাৰ ৰাইজক যিবিলাক প্ৰতিশ্ৰুতি দি আহিছো সেইবিলাক যাতে পালন কৰিব পাৰো তাৰ বাবে যাতে আপোনাৰ ফালৰ পৰা সহায় সহযোগ পাম বুলি আশা কৰিছো । মাননীয় অধ্যক্ষ হিচাবে আপুনি সদনৰ কাম-কাজ নিয়াৰিকৈ পৰিচালনা কৰাৰ ক্ষেত্ৰত কোনো ধৰনৰ আপোচ নকৰিব বুলি মোৰ দৃঢ় বিশ্বাস আছে । শ্ৰী মাঝিৰ পৰা বিৰোধী দলে ৰক্ষনা- বেক্ষন পাব বুলি আশা প্ৰকাশ কৰি আপোনাৰ অধ্যক্ষতাত আমি সদনৰ মজিয়াত ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিৰ সমস্যা সমূহ আলোচনা কৰিবলৈ নিশ্চয় সুবিধা পাম।

মাননীয় অধ্যক্ষ ডাঙৰীয়াক পুনৰ আন্তৰিক অভিনন্দন জনাই মোৰ বক্তব্য ইমানতে সামৰিছো ।

Sri Bimolangsu Roy , MLA : Hon'ble Speaker, Sir, First of all I congratulate Hon'ble Speaker on Behalf of the Bharatiya Janata Party for his election to this August House as Speaker. The Hon'ble Speaker is known for his able soundness in performance and impartiality. And I believe definitely he will discharge his functions as the Speaker. Your hounor will definitely discharge his functions as an impartial Speaker and we will have full faith and believe that under your able leadership this August House will definitely devote utomost sincerity and dignity and on behalf of the Bharatiya Janata Party we will extend our full cooperation while dicharging your functions. On this occation I cannot but also mention

the able leadership of our Protem Speaker Sri Premodhar Bora that discharging his functions today. We know that he was the lone voice from India while 42nd Amendment of the constitution of the India was made that extended the tenure of the Assembly and the Parliament and with that amendment of the extention of the tenure of the House both the Parliament and the legislature. Sri Premodhar Bora, he is made today the Protem Speaker, and I believe, also congratulate and express my regard to Sri Premodhar Bora for very discharging of his duties today .

Thank you Sir, with this words I again congratulate you.

Sri Dharam Sing Teron : Mr. Speaker Sir, The people of Autonomous Hills Districts with only to members comgratulate you and we hope that the aspiration of the people will get utmost priority in the discussions in this August House. Thank you sir.

ধৰম সিং টেৰণ ঃ-মাননীয় অধ্যক্ষ মহোদয়, আপুনি আজি এই পৱিত্ৰ সদনৰ অধ্যক্ষ নিৰ্বাচিত হোৱাৰ বাবে মই আমাৰ এন চি পি দলৰ ফালৰ পৰা আপোনাক অভিনন্দন জনাইছো। অধ্যক্ষ মহোদয়, আপুনি এজন অভিজ্ঞ ব্যক্তি আৰু ইয়াৰ আগতেও আপুনি এই সদনৰ উপাধ্যক্ষ আছিল। সেয়েহে আপুনি নিৰপেক্ষভাৱে সদনৰ কাম-কাজ চলাই নিয়াত আমাক সুযোগ দিব বুলি আশা কৰি পুনৰ আপোনালৈ অভিনন্দন জ্ঞাপন কৰিলো ।

পৱিন্দ্ৰ ডেকা ঃ-মাননীয় অধ্যক্ষ মহোদয়, আপুনি আজি বিনা প্ৰতিদ্বন্দ্বিতাৰে এই

পৱিত্ৰ সদনৰ অধ্যক্ষনিৰ্বাচিত হোৱাৰ বাবে আপোনাক মই ব্যক্তিগতভাৱে ধন্যবাদ জ্ঞাপন কৰিছো আৰু মই আমাৰ দল পূৰ্বাঞ্চলীয় লোক পৰিষদ দলৰ ফালৰ পৰাও আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আপুনি আজি ৰাজ্যখনৰ এক জটিল সন্ধিক্ষনত অধ্যক্ষৰ পদত অধিষ্ঠিত হৈছে। এইটো ঠিক যে আজি যি অস্থিৰ অৰ্থনৈতিক, অস্থিৰ সামাজিক, অস্থিৰ ৰাজনৈতিক পৰিস্থিতিত আপুনি অধ্যক্ষৰ আসন গ্ৰহন কৰিছে, আপুনি এক বলিষ্ঠ ভূমিকা গ্ৰহন কৰি ৰাজ্যখনলৈ সুস্থিৰতা আনিব লাগিব। বৰ্ত্তমান ৰাজ্যখনত দেখা দিয়া ৰাজনৈতিক, অৰ্থনৈতিক , সামাজিক পৰিস্থিতিত অধ্যক্ষৰ আসন গ্ৰহন কৰি বিধান সভাৰ মৰ্য্যাদা অক্ষুন্ন ৰাখিব বুলি মোৰ দৃঢ় বিশ্বাস। আজি ৰাজ্যখনৰ দুই কোটি ৫০ লাখ মানুহে আশা আকাংক্ষাৰে এই একাদশ বিধানসভালৈ বাট চাই আছে আৰু সেয়েহে আপুনি এই পৱিত্ৰ সদনৰ মান- মৰ্য্যাদা অক্ষুন্ন ৰখাৰ লগতে অসমৰ ২ কোটি ৫০ লাখ মানুহৰো আশা - আকাংক্ষা পুৰণৰ বাবে ভূমিকা গ্ৰহন কৰিব লাগিব এই আশা কৰি পুনৰ আপোনালৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

ড° জয়নাথ শৰ্মা ঃ-মাননীয় অধ্যক্ষ মহোদয়, আজি আপুনি বিনা প্ৰতিদ্বন্দিতাৰে এই পৱিত্ৰ সদনলৈ নিৰ্ব্বাচিত হোৱাৰ বাবে মই আমাৰ দলৰ তৰফৰ পৰা আপোনাক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, মই এইবাৰ আগতেই ভাবিছিলো এইবাৰ সদনলৈ অধ্যক্ষ হিচাবে এজন শান্ত আৰু নিৰপেক্ষ ব্যক্তি নিৰ্বাচিত হোৱা হলে ভাল আছিল। এইটো ঠিক যে আপোনাৰ অধ্যক্ষত্বত সদনৰ মৰ্য্যাদা নিশ্চয় ক্ষুন্ন নহয় । সদনৰ মৰ্য্যাদাৰ লগতে আমাৰ বিৰোধী পক্ষৰো যাতে মৰ্য্যাদা অক্ষুন্ন থাকে তাৰ বাবে লক্ষ্য ৰাখিব বুলি আশা কৰি পুনৰ অভিনন্দন জ্ঞাপন কৰিলো।

Shri Karendra Basumatary : I on behalf of ABSU supported Bodo legislature party and personaly congratulate you and I am very much happy for your selection as speaker, ar

experienced person like you. Earliar also I met you during 1991-96 when you were Hon'ble Chairman of the EstimatesCommittee. Now, at this very beggining, I would like request you as Hon'ble Speaker, elected uncontestedly, I hope at your earliest possible, you may kindly recommend Bodo problems in the coming 5 years .

মাননীয় অধ্যক্ষ ঃ- একাদশ অসম বিধানসভাৰ প্ৰথম অধিবেশনৰ প্ৰথম দিনটোত বিধানসভাৰ মৰ্য্যাদাপূৰ্ণ অধ্যক্ষৰ পদত অসম বিধানসভাৰ মাননীয় নৱনিৰ্বাচিত সদস্যসকলে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্ব্বাচিতকৰাত মই সদনৰ মাননীয় সকলো সদস্যৰ প্ৰতি আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো । অসম বিধানসভাৰ সন্মানীয় অধ্যক্ষৰ আসনত মোক মনোনীত কৰাৰ বাবে প্ৰথমেই মই আমাৰ দলৰ নেতা, সদনৰ দলপতি তথা অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰী তৰুণ গগৈ ডাঙৰীয়াৰ প্ৰতি মোৰ অন্তৰভৰা কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো। এই সুযোগতে মোক সদনৰ উচচ আসনত অধিষ্ঠিত কৰোৱাত সকলো প্ৰকাৰে সহায়-সমৰ্থন আগবঢ়োৱা কংগ্ৰেছ বিধায়নী দলৰ মাননীয় বিধায়ক - বিধায়িকাসকলৰ প্ৰতিও মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মই দৃঢ়ভাৱে বিশ্বাস কৰো যে, অসম বিধান সভাৰ অধ্যক্ষ হিচাবে অহা পাঁচ বছৰীয়া কাৰ্য্যকালত সংসদীয় গনতন্ত্ৰৰ সৰ্বোচচ পৰম্পৰা অটুট ৰাখি গনতান্ত্ৰিক প্ৰমুল্য সমূহৰ প্ৰতি সম্পুৰ্ণ সন্মান জনাই সদনৰ প্ৰচলিত বিধি-বিধান আৰু নীতি-নিয়মৰ মাজেৰে শাসকীয় আৰু বিৰোধী দল / গোট সকলো পক্ষৰে সম্পূৰ্ণ সহযোগিতাৰে নিৰপেক্ষভাৱে সদনৰ কাম-কাজ পৰিচালনা কৰিবলৈ সক্ষম হম। অসম বিধান সভা হৈছে ৰাজ্যখনৰ জনসাধাৰণৰ আশা আকাংক্ষাৰ প্ৰতীক। জনসাধাৰনৰ আশা আকাংক্ষাক বাস্তৱত ৰূপ দিয়াৰ ক্ষেত্ৰত বিধায়ক-বিধায়িকাসকলৰ গুৰু দায়িত্বৰ কথা আৰু নতুনকৈ দোহৰাৰ প্ৰয়োজন নাই। মোৰ দৃঢ় বিশ্বাস যে,

শাসকীয় আৰু বিৰোধী দলৰ মাননীয় সদস্যসকলে মিলি ৰাইজৰ আকাংক্ষিত সেৱা আগবঢ়াব পাৰিব।

এই পবিত্ৰ সদনে মোৰ ওপৰত ন্যস্ত কৰা গুৰু দায়িত্বৰ পালন কৰোতে, সদনৰ দলপতি তথা মাননীয় মুখ্যমন্ত্ৰী শ্ৰী তৰুণ গগৈ ডাঙৰীয়া, সংসদীয় পৰিক্ৰমা মাননীয় মন্ত্ৰীকে ধৰি শাসকীয় আৰু গোট সমূহৰ মাননীয় সদস্য / সদস্যা, অসম চৰকাৰৰ বিষয়া কৰ্মচাৰী, অসম বিধান সভা সচিবালয়ৰ সকলো পৰ্য্যায়ৰ বিষয়া-কৰ্মচাৰী আৰু সংবাদ মাধ্যমৰ সময়োচিত দিহা পৰামৰ্শ আৰু সহায় সহযোগিতা পাম বুলি আশা কৰিলো।

সদৌ শেষত মই পুনৰ আজিৰ এই সদনত উপস্থিত আটাইলৈকে মোৰ সশ্ৰদ্ধা নমস্কাৰ আৰু ধন্যবাদ জনাই মোৰ চমু বক্তব্যৰ ইমানতে সামৰণি মাৰিলো।

## Motion for election of Members of Legislative Comittees

Item No. 5

Shri Bharat Chandra Narah, Minister, Parliamentary Affairs - Sir, I beg to Move that in pursuance of Rule 242 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly this do elect 'thirteen' members of the Assembly in accordance with the principle of proportional representation by means of the single transferable vote to constitute the committee on public Accounts which will function from the date of Constitution for a term not exceeding thirty months.

Item No. 6

Shri Bharat Chandra Narah - I beg to move that this Assembly

do elect thirteen members of the Assembly in accordance with the provision of Rule 244 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to constitute the Committee on Estimates which will function from the date of its formation for a term not exceeding thirty months

Item No. 7

Shri Bharat Chandra Narah - Sir, I beg to move that this Assembly do elect thirteen members of the Assembly in accordance with the provision of Rule 260 B(1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to constitute the Committee on Public Undertakings to function from the date of its formation for a term not exceeding thirty months.

Item No. 8

Shri Bharat Chandra Narah - Sir, I beg to move that in parsuance of Rule 260 D of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, this Assembly do elect 'thirteen' members of the Assembly in accordance with the principle of proportional representation by means of the single transferable vote to constitute the Committee on the welfare of Scheduled Castes and Scheduled Tribes which will fuction from the date of constitution for a term not exeeding thirty months.

Item No. 9

Shri Bharat Chandra Narah - Sir, I beg to move that this Assembly do elect thirteen members of the Assembly in accordance with the provision of the Rule 260 G(1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to Constitute the committee on welfare of Other Backward classes and More Other Backward Classes which will function from the date of its formation for a term not exceeding thirty months.

Mr. Speaker : Now item no. 10, Sri Rameswar Dhanwar (Minister, Labour & Employment) to move.

Sri Rameswar Dhanwar (Minister): Sir, I beg to move that whereas in view of growing unemployment situation in the Stat of Assam the proceeding Assam Legislative Assembly felt the necessity of a committee of the House to review the unmployment position of the people of the state in the various public and private sector industries and undertaking in the state of Assam from time to time and for improving the relationship beetween the people and the various public sector and private sector industries and undertakings, and whereas such Comittees having been constituted with thirteen members of the Assembly, thirty two nos of report submitted on the subject since its first constitution till the term of tenth Assembly proved to be of immense benifit to the interest of the people of

Assam, and whereas this Assembly feels the 'nesessity of having such a comittee to work in continuty to the same proposes with a view to further the interest the people of the state in the matter of employment, this Assembly do new resolve that a committee of the house known as Employment Review Committee be constituted with thirteen members of Assembly. The duration of the Committee will be co-terminus with the life of the 11th Assembly and the members of the coommittee will be nominated by the Hon'ble Speaker. The Speaker shall also appoint the Chairman of the Committee from amongest the nominated members.

## Laying of Ordinance, Reports, Notification etc.

Mr. Speaker : Now item no. 11 Sri Tarun Gogoi, Chief Minister to lay the Assam Non-Government (Deficit) College central Pension and Provident Fund Ordinance, 2001.

Sri Tarun Gogoi (Chief Minister) - Sir, I beg to lay the Assam non-Government (Deficit) College Central Pension and Provident Fund Ordinance, 2001

Mr. Speaker : Now item no.12 Sri Devananda Knowar,

Minister, Finance to lay the Assam Contingency Fund (Amendment) Ordinance, 2001.

Sri Devananda Knowar , (Minister , Finance) - Sir, I beg to lay the Assam Contingency Fund (Amendment) Ordinance,2001.

Sri Prithibi Majhi, Mr. Speaker : Now item no. 13 Sri Tarun Gogoi, Chief Minister to lay the Annual Report of the Assam Public Service Commission for the year, 1996-97.

Sri Tarun Gogoi (Chief Minister) : Sir, I beg to lay the Annual Report of the Assam Public Service Commission for the year, 1996-97.

Sri Prithibi Majhi, Mr. Speaker : Now item no. 14 Sri Govinda Chandra Langthasa, Minister, to lay the twelveth Annual Report of Assam Mineral Development Corporation Ltd. for the year, 1994-95.

Sri Govinda Chandra Langthasa (Minister) : Sir, I beg to lay the twelveth Annual Report of Assam Mineral Development Corporation Ltd. for the year, 1994-95.

Sri Prithibi Majhi, Mr. Speaker : Now item no.15 Sri Govinda Chandra Langthasa, Minister, to lay the notification No. HAD 6/2001/151 dated 15 th March, 2001 containing the orders of the Governor of Assam.

Sri Govinda Chandra Langthasa (Minister) : Sir, I beg to lay

the notification No. HAD 6/2001/151 dated 15th March, 2001 containing the orders of the Governor of Assam.

Mr. Speaker : Now item no.16 Sri Bharat Chandra Narah, Minister, Parliamentary Affairs to lay the report of the Controller and Auditor General of India for the year ended 31st March 2000, (Commercial) relating to the Government of Assam.

Sri Bharat Chandra Narah ( Minister, Parliamentary Affairs) : Sir, I beg to lay the report of the Controller and Auditor General of India for the year ended 31st March 2000, (Commercial) relating to the Government of Assam.

Mr. Speaker : Now item no. 17 Sri Bharat Ch. Narah, Minister, Parliamentary Affairs to lay the report of the controller and Auditor General of India (Civil) for the year, 1999-2000 relating to the Government of Assam.

Sri Bharat Ch. Narah (Minister , Parliamentary Affairs) : Sir, I beg to lay the report of the controller and Auditor General of India (Civil) for the year, 1999-2000 relating to the Government of Assam.

Mr. Speaker : Now item no. 18 Obituary reference .

মাননীয় অধ্যক্ষ ঃ-

এই সদনৰ প্ৰাক্তন সদস্যকে ধৰি আমাৰ দেশ তথা ৰাজ্যৰ বিভিন্ন ক্ষেত্ৰত বিশেষ বৰঙনি আগবঢ়োৱা ভালেকেইগৰাকী বৰেণ্য ব্যক্তিৰ অলপ দিন আগতে পৰলোক প্ৰাপ্তি ঘটিছে । অতি দুখ আৰু ব্যথিত হৃদয়েৰে আজি এই পৱিত্ৰ সদনত তলত উল্লেখিত ব্যক্তি সকলৰ বিয়োগত শোক প্ৰকাশ কৰিবলৈ লোৱা হৈছে।

১) প্ৰবীন মুক্তিযোদ্ধা, প্ৰাক্তন মন্ত্ৰী আৰু অসম বিধানসভাৰ প্ৰাক্তন উপাধক্ষ্য গোলোক ৰাজবংশীৰ যোৱা ২৬ / ৩ /২০০১ তাৰিখে দিছপুৰৰ নিজা বাসভৱনত বাৰ্ধক্যজনিত কাৰণত ৭৬ বছৰ বয়সত স্বৰ্গগামী হয়।

১৯২৫ চনত শোনিতপুৰ জিলাৰ মৰানকুৰিত জন্ম গ্ৰহন কৰা ৰাজবংশীয়ে ১৯৪২ চনত মেট্ৰিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ ডিস্টিংশ্যনসহ স্নাতক ডিগ্ৰী লাভ কৰাৰ ওপৰিও আইনৰ ডিগ্ৰীও লাভ কৰে। ছাত্ৰৱস্থাৰে পৰা দেশৰ স্বাধীনতা সংগ্ৰামত সক্ৰিয় ভাৱে জড়িত হৈ থাকি তেখেতে কাৰাবাস খাটিব লগা হয়। ৰাজবংশীয়ে ৰাজনৈতিক জীৱনৰ এছোৱা কাল সমাজবাদী দলত সক্ৰিয়ভাৱে কটোৱাৰ পিছত ১৯৭২ চনত (বালিপাৰা) বৰ্ত্তমান ৰঙাপাৰা সমস্টিৰ পৰা কংগ্ৰেছ প্ৰাৰ্থী ৰূপে অসম বিধানসভালৈ সদস্য নিৰ্বাচিতহৈ অসম বিধান সভাৰ উপাধক্ষ্য হিচাবে কাৰ্য্যনিৰ্বাহ কৰে।

১৯৮৫ চনত পুনৰ বিধান সভালৈ সদস্য নিৰ্ব্বাচিত হৈ বিধানসভাৰ বিৰোধী দলৰ দলপতি হিচাবে কাৰ্য্য নিৰ্ব্বাহ কৰে আৰু ১৯৯১ চনত বিধানসভালৈ সদস্য নিৰ্ব্বাচিত হৈ হিতেশ্বৰ শইকীয়া মন্ত্ৰীসভাত দায়িত্বপূৰ্ণ মন্ত্ৰী ৰূপে কাৰ্য্যনিৰ্বাহ কৰে। তেখেতে ভালেমান সামাজিক সংগঠন আৰু অনুষ্ঠান, প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল।

এই গৰাকী বৰ্ষীয়ান মুক্তিযোদ্ধা তথা ৰাজনীতিকৰ মৃত্যুত আমাৰ ৰাজ্যৰ এক পুৰাব নোৱাৰা ক্ষতি হ'ল।

২) বৰ্ষীয়ান ৰাজনীতিবিদ তথা প্ৰাক্তন মন্ত্ৰী চৈয়দ আহমেদ আলিৰ যোৱা ১৫ মে, ২০০১ত ৮৬ বছৰ বয়সত পৰলোক প্ৰাপ্তি ঘটে।

১৯৬২ চনত প্ৰথমবাৰ চৈয়দ আহমেদ আলি গৌৰিপুৰ সমষ্টিৰ পৰা অসম বিধানসভালৈ সদস্য নিৰ্ব্বাচিত হয়। ১৯৬৭ চনত ধুবুৰী সমষ্টিৰ পৰা কংগ্ৰেছ প্ৰাৰ্থী হিচাবে অসম বিধানসভালৈ সদস্য নিৰ্বাচিত হৈ মন্ত্ৰী হিচাবে কাৰ্য্যনিৰ্বাহি কৰে। পুনৰ ১৯৭২ চনত গৌৰিপুৰ সমষ্টিৰ পৰাই সদস্যৰূপে অসম বিধানসভালৈ নিৰ্ব্বাচিত হৈ শৰৎ চন্দ্ৰ সিংহৰ মন্ত্ৰীসভাত মন্ত্ৰী ৰূপে কাৰ্য্যনিৰ্বাহি কৰে। ১৯৫০ চনতে কংগ্ৰেছত যোগ দিয়া আহমেদ আলি অবিভক্ত গোৱালপাৰা জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক, সভাপতি আদি পদত কাৰ্য্যনিৰ্বাহ কৰাৰ ওপৰিও তেখেত বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান আদিৰ সৈতেও জড়িত আছিল। তেখেত এজন আইনজ্ঞও আছিল। গুৱাহাটীৰ ইছলামপুৰত থকা হাজী মুছাফিৰ খানা ন্যাসবোৰ্ডৰ তেখেত প্ৰতিষ্ঠাপক

অধ্যক্ষ আছিল।

প্রবীন ৰাজনীতিবিদ আহমেদ আলিৰ মৃত্যুত আমাৰ ৰাজ্যখনৰ এক অপুৰণীয় ক্ষতি হ'ল ।

৩ ) প্ৰাক্তন বিধায়ক তথা গান্ধীবাদি, মুক্তিযোদ্ধা ৰত্নেশ্বৰ দাসে ২০০১ চনৰ ৬ মেত বাৰ্ধক্যজনিত কাৰণত ৭৯ বছৰ বয়সত নিজা বাসভৱনত ইহ্ সংসাৰ ত্যাগ কৰে ।

ৰত্নেশ্বৰ দাস ডাঙৰীয়াৰ ১৯৯১ চনত পূৰ্ব গোৱালপাৰা সমষ্টিৰ পৰা কংগ্ৰেছ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ সদস্য নিববৰ্বাচিত হয়। তেখেতে অসম খাদী আৰু গ্ৰামোদ্যোগ বোৰ্ডৰ অধ্যক্ষ হিচাবেও কাৰ্য্যনিৰ্বাহ কৰিছিল। তেখেতে গোৱালপাৰা জিলাৰ কংগ্ৰেছৰ সভাপতি হিচাবেও কাৰ্য্যনিৰ্বাহ কৰিছিল।

এই প্ৰবীন ৰাজনীতিবিদ গৰাকীৰ মৃত্যু আমাৰ বাবে এক অপুৰণীয় ক্ষতি।

৪) প্ৰাক্তন বিধায়ক তথা বাঘবৰ বিধানসভা সমষ্টিৰ নিৰ্দ্দলীয় প্ৰাৰ্থী জালালুদ্দিন আহমেদৰ ২০০১ চনৰ১১ মেৰ দিনা বৰপেটাৰ গান্ধীনগৰৰ নিজা বাসভৱনত পৰলোক প্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স ৬৪ বছৰ হৈছিল।

১৯৬৭ চনত আহমেদ বাঘবৰ সমষ্টিৰ পৰা নিৰ্দ্দলীয় প্ৰাৰ্থীৰূপে অসম

বিধান সভালৈ সদস্য নিৰ্বাচিত হয়। পুনৰ ১৯৭২ চনত কংগ্ৰেছ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিৰৰ্বাচিত হয়। তেখেতে শিক্ষকতা কৰাৰ ওপৰিও এগৰাকী বিশিষ্ট হোমিওপ্যাথিক চিকিৎসক আছিল।

এই গৰাকী বিশিষ্ট সমাজকৰ্ম্মীৰ মৃত্যুত আমি এগৰাকী অগ্ৰনী ৰাজনৈতিক কৰ্ম্মীক হেৰুৱালো। ৫) ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী, বৰ্ষীয়ান জনতাদলৰ নেতা দেৱীলালৰ ২০০১ চনৰ ছয় এপ্ৰিল তাৰিখে হৃদৰোগত আক্ৰান্ত হৈ নতুন দিল্লীৰ এপলো হাস্পাতালত পৰলোকগামী হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স ৮৬ বছৰ হৈছিল।

বৰ্ত্তমান ৰাজ্যসভাৰ সদস্য হিচাবে কাৰ্য্যনিবৰ্বাহ কৰাৰ ওপৰি তেখেতে হাৰিয়ানা ৰাজ্যৰ মুখ্যমন্ত্ৰী পদত একাধিকবাৰ অধিষ্ঠিত হৈছিল। ভি. পি. সিং আৰু চন্দ্ৰশেখৰ মন্ত্ৰীসভাত তেখেতে উপ প্ৰধানমন্ত্ৰী হিচাবেও কাৰ্য্যনিবৰ্বাহ কৰিছিল।

এই গৰাকী বৰ্ষীয়ান ৰাজনীতিবিদৰ মৃত্যুত দেশ এক অপুৰনীয় ক্ষতি হল।

৬) মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু ৰাষ্ট্ৰীয়তাবাদী কংগ্ৰেছ(এন.চি.পি.) পাৰ্টীৰ নেতা সুধাকৰ ৰাও নাইকৰ ২০০১ চনৰ ১০ মেতহৃদৰোগত আক্ৰান্ত হৈ ৬৭ বছৰ বয়সত মৃত্যু হয়।

সুধাকৰ ৰাও নাইকে ১৯৯১-৯৩ চনলৈ মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হিচাবে

কাৰ্য্যনিৰ্ব্বাহ কৰিছিল। এইগৰাকী ৰাজনীতিকৰ মৃত্যুত দেশৰ এক অপূৰণীয় ক্ষতি হল।

৭) ২০০১ চনৰ একাদশ অসম বিধান সভা নিৰ্ব্বাচনৰ ডিব্ৰুগড় সভা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থী ৰূপে প্ৰতিদ্বন্দিতা কৰা জয়ন্ত দত্তই ২০০১ চনৰ পহিলা মেত আততায়ীৰ গুলীত প্ৰান হেৰুৱাই।

ডিব্ৰুগড় নিবাসী জয়ন্ত দত্ত ডাঙৰীয়াই ভাৰতীয় জনতা পাৰ্টীৰ অসম শাখাৰ সাধাৰন সম্পাদক হিচাবেও কাৰ্য্যনিৰ্ব্বাহ কৰিছিল। এই গৰাকী উদীয়মান নেতাৰ মৃত্যুত অসমৰ এক অপূৰণীয় ক্ষতি হল।

৮) গুৱাহাটী উচচ ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ, হাৰিয়ানাৰ কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য তথা জ্যেষ্ঠ অধিবক্তা শৰৎ কুমাৰ দত্তৰ ২০০১চনৰ ১০ মেত ডিব্ৰুগড়ৰ নিজা বাসভৱনত ৯৪ বছৰ বয়সত পৰলোক প্ৰাপ্তি ঘটে।

ডিব্ৰুগড়ৰ এক চাহ খেতিয়কৰ পৰিয়ালত জন্ম লাভ কৰা দত্তই ১৯২৮ চনত কলিকতাৰ প্ৰেছিডেন্সী কলেজৰ পৰা স্নাতক ডিগ্ৰী লোৱাৰ পিছত লণ্ডন বিশ্ববিদ্যালয়ত আইনৰ স্নাতক ডিগ্ৰী লয়। তেখেতে কলিকতা উচচ ন্যায়ালয়ত ওকালতিৰে কৰ্ম্ম জীৱন আৰম্ভ কৰিছিল। ১৯৩৭ চনত চৰকাৰী আইন কলেজৰ অধ্যক্ষ হিচাবে কাৰ্য্যনিৰ্বাহ কৰাৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইন বিভাগৰ ডীন হিচাবেও যথেষ্ঠ বৰঙণি আগবঢ়ায়। ১৯৬১ চনত

গুৱাহাটী উচচ ন্যায়ালয়ৰ ন্যায়াধীশ ৰূপে যোগদান কৰি ১৯৬৮ চনত মুখ্য ন্যায়াধীশ পদত অধিষ্ঠিত হয়। ১৯৭০ চনত মুখ্য ন্যায়াধীশ পদৰ পৰা অৱসৰ লৈ তেখেতে হাৰিয়ানা কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয়ৰ হিচাবে দায়িত্ব বহন কৰি কৃতিত্ব অৰ্জন কৰে। তেখেতে ১৯৮৮ চনত অসম দৰমহা আয়োগৰ অধ্যক্ষ হিচাবে কাৰ্য্যনিৰ্বাহ কৰিছিল।

এই গৰাকী বিৰল প্ৰতিভা সম্পন্ন তথা সুনিপুন আইনজ্ঞৰ মৃত্যুত অসমৰ সমাজ জীৱনৰ এক পুৰাব নোৱাৰা ক্ষতি হল।

৯) বিশিষ্ট চলচিত্ৰ পৰিচালক প্ৰফুল্ল শইকীয়াৰ যোৱা ১৩ মে, ২০০১ তাৰিখে পথ দুৰ্ঘটনাত পতিত হৈ অকাল মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স ৫৪ বছৰ হৈছিল। অসমীয়া চলচিত্ৰ 'পানী', 'জিৰিচং আৰ ৰিত আমতং' নামৰ কাৰ্বি ছবি আৰু 'দ্য আনটল্ড ষ্টৰী অৱ ব্লু হিলছ' নামৰ প্ৰথমখন ডিমাছা কাহিনী ছবিৰ নিৰ্ম্মাতা প্ৰফুল্ল শইকীয়াই কেবাখনো তথ্যচিত্ৰও নিৰ্ম্মান কৰিছিল। তেখেতে দীৰ্ঘদিন আকাশবাণী দিল্লীৰ অসমীয়া বাতৰি পৰিবেশক হিচাবেও কাৰ্য্যনিৰ্বাহ কৰিছিল।

এই গৰাকী প্ৰতিভা সম্পন্ন শিল্পীৰ অকাল মৃত্যু অসমৰ বাবে এক অপুৰণীয় ক্ষতি।

১০) দেশৰ ইংৰাজী সাহিত্যৰ এগৰাকী আগশাৰীৰ লেখক আৰ কে নাৰায়নৰ যোৱা ১৩ মে, ২০০১ তাৰিখে চেন্নাইত পৰলোক প্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স ৯৪ বছৰ আছিল। ইংৰাজী সাহিত্যৰ লেখক

হিচাবে দেশে বিদেশে খ্যাতি অৰ্জন কৰা, পদ্মভূষণ বটা বিজয়ী আৰ কে নাৰায়ণে 'স্বামী এন্ড ফ্ৰেন্ডছ' নামৰ আত্মজীৱনী মূলক উপন্যাসখনেৰে সাহিত্যিক জীৱনৰ পাতনি মেলিছিল। 'দ্য ভেন্ডৰ অৱ ছুইটছ ', 'মালগুড়ি ডেজ', ' মাই ডেটলেছ ডায়েৰী' আদি তেখেতৰ উল্লেখযোগ্য গ্ৰন্থ। এসময়ত 'দ্য হিন্দু' কাকতৰ সাংবাদিক হিচাবেও তেখেত প্ৰসিদ্ধ হৈ পৰিছিল।

এই গৰাকী প্ৰখ্যাত সাহিত্যিকৰ মৃত্যুত দেশৰ তথা সাহিত্য জগতৰ এক অপুৰনীয় ক্ষতি হ'ল।

ওপৰত উল্লেখ কৰা মৃত ব্যক্তিসকলৰ পৱিত্ৰ স্মৃতিত আৰু তেখেতসকলৰ বিদেহী আত্মাৰ সদ্গতি আৰু চিৰশান্তি কামনা কৰি এতিয়া এক মিনিট কাল থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্যসকলৰ প্ৰতি মই অনুৰোধ জনালো।

(The House stood silence for one minute as a mark of respect to the departed soul.)

Now the House stands adjurned till 4 PM on 31st May, 2001 .

The House stood adjourned at 6.45 PM. till 4PM. on Thursday, the 31st May, 2001.

Dispur
The 30th May ,2001

D. Talukdar
Secratary
Assam Legislative Assembly